بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২১ জুলাইত মছজিদ বায়তুল ফুতুহ, মৌৰডন লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

বৃটেইনৰ জলছা ছালানা (বছৰেকীয়া) ৰ আগমন আৰু জলছাৰ কৰ্মীবৃন্দ আৰু অতিথি বৃন্দ সকললৈ সামান্য উপদেশাৱলী।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; ইনশা আল্লাহ তায়লা বৃটেইনৰ বছৰেকীয়া জলছা অহা জুমা (শুক্ৰবাৰ) ৰ পৰা আৰম্ভ হবলৈ গৈ আছে। আল্লাহ তায়লাৰ কৃপাত বিভিন্ন দেশৰ পৰা জলছাত অংশগ্ৰহনকাৰী অতিথি সকলে আহিবলৈ আৰম্ভ কৰিছে। যিমানেই জলছাৰ দিন ওচৰ চাপি আহি আছে সিমানেই কাষৰীয়া আৰু দুৰ-দুৰণী দেশ সমুহৰ পৰা অতিথি সকলৰ আগমন বাঢ়ি গৈ আছে। এনেদৰে বৃটেইনৰ বিভিন্ন চহৰৰ পৰাও অতিথি সকল আহিবলৈ আৰম্ভ কৰিব। এই জলছাৰ কল্যাণ লাভ কৰিবলৈ বিভিন্ন দেশ সমুহৰ পৰা অ-আহমদী আৰু অ-মুছলিম অতিথিয়েও আহি থাকে। কিছুমান দেশৰ শাসন বিভাগীয় প্ৰতিনিধি নাইবা চৰকাৰী বিষয়া বৰ্গ লগতে উচ্চ শিক্ষিত লোক সকলে আমাৰ জলছাত অংশগ্ৰহণ কৰে। এনেদৰে প্ৰেছ, মিডিয়াৰ লগত সম্পৰ্কিত লোকৰ অংশগ্ৰহণও বাঢ়িবলৈ আৰম্ভ কৰিছে। এই বিলাক লোকে আমাৰ সকলো বিষয় বস্তু বৰ চোকা দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰে আৰু প্ৰভাৱিতও হয়। বিশেষকৈ আমাৰ জমাতি নিজামলৈ যেতিয়া দৃষ্টি দিয়ে আৰু স্বেচ্ছাসেৱী নিজামৰ কাৰুকাৰ্য্য দেখিবলৈ পায় তেতিয়া আৰু বেছিকৈ তবলিগৰ বাট মুকলি হয়, বেছি বেছি পৰিচয় ঘটে আৰু লোকে বেছিকৈ আহমদীয়ত সমপৰ্কে জানিবলৈ চেষ্টা কৰে। গতিকে যিয়েই নহওঁক এই দিন কেইটাত আমাৰ শ্ৰমিক ভলেণ্টিয়েৰ পুৰুষ-মহিলা, কণ-কণ ল'ৰা-ছোৱালী সকলে এটা নীৰৱ তবলিগৰ কাম কৰি থাকে। আনফালে প্ৰেছ, মিডিয়াৰ জৰিয়তে আহমদীয়তৰ পৰিচয় পৃথিৱী ব্যাপি বিস্তাৰ লাভ কৰে। আজি কালি প্ৰেছ, মিডিয়াই বিভিন্ন সময়ত কিছুমান ঘটনা সংক্ৰান্তে জমাতৰ ফলীয়া হ'বলৈ লৈছে উদাহৰণ স্বৰূপ, ইউৰোপত আতচকবাদী ঘটনা সংগঠিত হোৱাৰ পিছত আহমদী পুৰুষ মহিলাই ইছলামৰ সঠিক বাৰ্তা পৃথিৱীক অৱগত কৰিবলৈ চেষ্টা কৰি গৈছে লগতে প্ৰেছ বিভাগেও এই ক্ষেত্ৰত মূখ্য ভুমিকা গ্ৰহণ কৰিছে। জমাতক ইছলামৰ শান্তি প্ৰিয় শিক্ষাৰ অনুসাৰী হিচাপে পৃথিৱীৰ প্ৰেছ বিভাগে জনগনলৈ বিস্তৃত ভাৱে পৰিচয় আগবঢ়াই আছে। যিয়েই নহওঁক আল্লাহ তায়লা জলছাৰ দিন কেইটাত ইছলামৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বহল ভিত্তি সা-সুবিধা আগবঢ়াই আছে। জলছাৰ প্ৰোগ্ৰাম ভাষণ আদিৰ জৰিয়তে য'ত আহমদী সকলে আধ্যাত্মিকতাত উন্নতি লভিবলৈ চেষ্টা কৰিছে তাত অ-আহমদী অতিথি আৰু প্ৰেছ বিভাগ আৰু ঈমান সম্পৰ্কীয় বিষয়ে আমাৰ শিক্ষা অনুধাৰন কৰি আৰু জলছাৰ পৰিবেশ, আহমদী পুৰুষ মহিলাৰ স্বেচ্ছা আৰু অতিথি সেৱা আদি লক্ষ্য কৰি ইছলামৰ মনোৰম শিক্ষাৰ কাৰ্য্যকৰী প্ৰতিচ্ছবি উপলব্দি কৰিব পাৰিছে। গতিকে স্বেচ্ছাসেৱী কৰ্মী সকলৰ ডাঙৰ ভুমিকা আছে। কৰ্মী সকলে য'ত আৰু যি পগিচনত কাম কৰি আছে, তেওঁলোকৰ তাত নিজৰ এটা ডাঙৰ গুৰুত্ব আছে আৰু এই গুৰুত্ব এজন সাধাৰণ কৰ্মীৰ পৰা লৈ বিষয়া বৰ্গ সকলে, প্ৰত্যেকেই নিজৰ নিজৰ সন্মুখত ৰখা উচিত। এজন সাধাৰণ কৰ্মী হয়তো তেওঁ পানী পান কৰাওঁতা সৰু ল'ৰায়ে হওঁক। তেওঁৰও নিঃস্বাৰ্থ ভাৱে এক মনযোগ সহকাৰে কাম কৰাটো প্ৰদৰ্শিত হ'ব লাগিব য'ত তেওঁক আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জন কাৰী বনায়। তাত বেলেগ লোকেও প্ৰভাৱিত হৈ থাকিব। যিটো বিষয়ে

জলছাত অংশগ্ৰহনকাৰী অতিথি সকলে অভিভূত হৈ প্ৰশংসা কৰে এনেদৰে বিষয়া বৰ্গ সকলে মনত ৰখা উচিত যে কেৱল সহায়কাৰী কৰ্মীবৃন্দক খিদমতকাৰী বুলি ভাৰি নিজে কাম নকৰে বৰং নিজেও বিনম্ৰ ভাৱে এজন সাধাৰণ কৰ্মীৰ দৰে কাম কৰিব লাগিব। নিজৰ কৰ্ম আৰু অতিথি আৰু বেলেগ লোকৰ সৈতে নিজৰ আচৰণ নম্ৰ আৰু সহায়তা প্ৰৱণ ৰাখক। চলন ফুৰণ আৰু নিজৰ অৱয়ৱত কোমলতা আৰু বিনয়ী ভাৱ প্ৰস্ফুটিত হ'ব লাগিব। কথা বতৰাত কোমলতা আৰু উত্তম চৰিত্ৰ প্ৰকাশৰ মান প্ৰতিষ্ঠিত ৰাখিব লাগিব। এয়া সদায় মনত ৰখা উচিত যে অতিথি আলপৈচান এটা অতি গুৰুত্বপূৰ্ণ বিষয় আৰু অতিথি আলপৈচান ধৰাটো কেৱল ভোজন কৰোৱা, পানী পান কৰোৱা, থকা মেলাৰ ব্যাৱস্থা কৰি দিয়াটোৱে নহয় বৰং জলছাৰ সকলো কাৰ্য্য ক্ৰমনিকা বিভাগ আদি অতিথি সৎকাৰৰ অন্তৰ্ভূক্ত। জলছাত যিজনেই আহক সেইজনেই অতিথি আৰু সামৰ্থ্য অনুযায়ী তাৰ প্ৰয়োজনীয়তা দুৰ কৰাটো প্ৰত্যেক সেইজন ব্যাক্তিৰ দায়িত্ব যিজনে বছৰেকীয়া জলছাৰ দায়িত্বত কৰ্তব্যৰত আছে। এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ; মোৰ সদায় এয়া মনত থাকে যে কোনো অতিথিৰ যেন কষ্ট নহয় বৰং এই বিষয়ে মই সদায় নিৰ্দেশ দি থাকো যে যিমানদুৰ সম্ভৱ হয়, অতিথি সকলক যেন আৰাম দিয়া হয়। উল্লেখ কৰে যে ; অতিথিৰ হৃদয় স্বচ্ছ আয়নাৰ দৰে ঠুনুকা সামান্য টোকৰ লাগিলেই চুৰ্চুমৈ হৈ যায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; গতিকে আমি এই কথাটো মনত ৰখা উচিত আৰু নিজে কষ্ট কৰি হলেও অতিথিৰ আৰাম আৰু সুবিধাৰ বাবে চেষ্টা কৰা উচিত। সকলো বিভাগৰ বিষয়া বৰ্গ সকলক কব বিচাৰো যে, যদি তেওঁলোকৰ আচৰণ কোমল, চৰিত্ৰ ভাল আৰু তেওঁলোকৰ ধৈৰ্য্য শক্তি আছে আৰু অশুভনীয় কথা শুনাৰ সাহস আছে তেন্তে তেওঁলোকৰ সহযোগী আৰু কৰ্মীবৃন্দইও তেনে দৰেই অতিথি সকলৰ সৈতে আচৰণ দেখুৱাব। অতিথি আলপৈচানৰ উত্তম দৃষ্টান্ত প্ৰতিষ্ঠা কৰিব। কিন্তু যদি বিষয়া বৰ্গৰ আকৃতি প্ৰকৃতি কঠোৰ হয়, কথা বতৰা কৰ্কশ হয় ধেৰ্য্য শক্তি নেথাকে তেন্তে সহযোগী সকল আৰু কৰ্মী বৃন্দ সকলেও তেনে আচৰণেই প্ৰদৰ্শন কৰিব। গতিকে অতিথি আলপৈচানৰ উচ্চ মান প্ৰতিষ্ঠা কৰিবলৈ প্ৰত্যেক বিভাগৰ অফিচাৰ সকলে নিজৰ নিজৰ অৱস্থা গমি চাওক, নম্ৰতা, ভদ্ৰতাৰ মান বৃদ্ধি কৰিবলৈ চেষ্টা কৰক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; থকা মেলাৰ ব্যাৱস্থাপনা সকলে মনত ৰখা উচিত যে ইজতেমা আবাস স্থলত আৰু ছাউনী সমুহত মহিলা আৰু ল'ৰা ছোৱালীৰ বিছনা পত্ৰ আদিৰ বিশেষ লক্ষ্য ৰাখিব। আজি কালি গৰমৰ দিন চলি আছে কিন্তু ৰাতি জলবায়ু ঠাণ্ডা হৈ যায়। যিয়েই নহওঁক হাদিকাতুল মেহেদিত তুলনামুলক ভাৱে লণ্ডনতকৈ ৪° বা ৫° ডিগ্ৰি গৰম কম থাকে। সেই বাবে যি বিলাক লোকে নিজৰ বিছনা পত্ৰৰ ব্যাৱস্থা কৰি আহিছে তেওঁলোকৰ বাবে ৰাতি থকা ঠাইৰ ব্যাৱস্থা হ'ব লাগে। যোৱা বছৰ ৰাতিৰ জলবায়ু চেঁচা হোৱাৰ বাবে কষ্ট হৈছিল। এনেদৰে খাদ্য বিতৰণকাৰী সকল আছে ইয়াৰে যি সকলে পোনে পোনে অতিথি সকলৰ সৈতে সম্পৰ্কিত তেওঁলোকে সদায় মনত ৰাখিব যে প্লেটত খাদ্য বিতৰণৰ সময়ত অতিথি সকলৰ অভিৰুচি পছন্দ আদিক প্ৰাধান্য দিব, যদিও তাত বেছি সময় লাগে আৰু সমস্যা হয়। যিয়েই নহওঁক যিমানদুৰ চলাই নিব পাৰে চলাই থাকিব, যদি কোনো বাধ্য বাদকতা আহি যায় তেন্তে সুন্দৰকৈ তাৰ উত্তৰ দিব।

আকৌ যানবাহনৰ ব্যাৱস্থাপনাও ৰৈ আছে। এই বাৰ দুৰত পাৰ্কিং হোৱা বাবে বেছিকৈ ষ্টল বাছ সমুহৰ ব্যাৱস্থা কৰা হৈছে যাতে মানুহে সময় মতে আহি জলছাত উপস্থিত হ'ব পাৰে। এনেদৰে মটৰ কাৰ আদিত অহা অতিথি সকলে মনত ৰাখিব যে তেওঁলোকৰ যানবাহন পাৰ্কিং দুৰত হ'ব পাৰে সেয়ে তেওঁলোকে সময় নিৰ্দ্ধাৰণ কৰি যাত্ৰা আৰম্ভ কৰিব। প্ৰত্যেক বিভাগৰ কৰ্মী বৃন্দই অতিথি সকলক সকলো ধৰণৰ সা-সুবিধা প্ৰদানৰ চিন্তাৰে কাম কৰা উচিত। খিদমতে খালক আৰু ছেকিউৰিটি সকলে বহুত বেছি সতৰ্কতাৰ সৈতে কাম কৰিব লাগিব। পৃথিবীৰ পৰিস্থিতি অনুসৰি অতিথি সকলৰ সন্মান

মৰ্যদা আদি অক্ষুন্ন ৰাখি সকলো কাম পৰিচালনা কৰিব লাগিব। কার্ড চেক আৰু অন্যান্য চেকিং সমুহ প্ৰথম দিনৰ পৰা জলছাৰ শেষ দিনলৈ পূৰ্ণ মনযোগেৰে কৰিব লাগিব। কোনোবাই বাহিৰলৈ ওলাই গৈ আকৌ ভিতৰলৈ সোমাই আহোঁতে তাক চেকিং কৰিব লাগিব। কিন্তু লক্ষ্য ৰাখিব লাগিব যে তেওঁ যেন এয়া নাভাবে যে কেৱল তাৰ ওপৰতেই বিশেষ দৃষ্টি ৰখা হৈছে নাইবা বেয়া ব্যাৱহাৰ কৰা হৈছে। বছৰেকীয়া জলছাত অংশগ্ৰহণ কৰা প্ৰত্যেকজন ব্যাক্তি হজৰত মছিহ মাওউদ (আঃ) ৰ অতিথি। সেয়ে তেখেত (আঃ) ৰ অতিথি হোৱা হেতুকে আমি প্ৰত্যেক জনকেই অন্যতম অতিথি বুলি ভাৱি আলপৈচান ধৰিব লাগিব। সেয়ে প্ৰত্যেক বিভাগৰ অফিচাৰ সকলে বিভাগীয় অভাৱ অভিযোগ পৰ্যবেক্ষণ কৰিবলৈ কিছুমান লোকক নিযুক্ত কৰিব যি সকলে সকলো কম-বেছি, অভাৱ আদি পৰ্যবেক্ষণ কৰি আবেলি বিভাগীয় অফিচাৰক জনাব। এই প্ৰক্ৰিয়াৰ জৰিয়তে জলছাৰ দিন কেইটাত আৰু ভৱিষ্যতৰ জলছা সমুহত ভাল পৰিস্থিতি সৃষ্টিত সহায়ক হ'ব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ; লংগৰ (লঙ্গৰ) ৰ মুহতামিমে অতিথি সকলৰ প্ৰয়োজনীয়তা সম্পৰ্কে খবৰ লোৱা উচিত। কিন্তু তেওঁ অকলশৰীয়া বাবে কেতিয়াবা এয়া পাহৰি গলে বেলেগে সেয়া মনত পেলাই দিয়া উচিত। কিন্তু এয়া মনত পেলাই দিয়াৰ বাবে কোনোবা এজনক দায়িত্ব দি থব পাৰে আৰু তেওঁ চালি জাৰি চাব পাৰে ক'ত কি কম হৈ আছে ক'ত বেছি আছে। ধনী, দুখীয়াৰ একেই ৰূপে আলপৈচান ধৰা উচিত। উল্লেখ আছে যে কিছুমান অতিথি আহে যি সকলে নতুন আৰু ইয়াৰ বিষয়ে ভালদৰে নেজানে বা বহিঃ দেশীয় অতিথিও আহে, এনে ক্ষেত্ৰত আমাৰ দায়িত্ব হ'ল তেওঁলোকক সকলো বিষয়তে সহায় কৰিব লাগিব। মাজে সময়ে কিছুমানে লেট্ৰিন, বাথৰুমৰও খবৰ নাজানে বাবে বৰ কষ্টত পৰে। সেয়ে আমাৰ উচিত হ'ল আমি যেন অতিথি সকলৰ সকলো প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখো। তেখেতে কয় যে ; যি সকলক এনেবোৰ কামৰ বাবে নিযুক্ত কৰা হয়, তেওঁলোকৰ ফৰজ হ'ল তেওঁলোকে যেন কোনো ধৰণৰ আপত্তি-অভিযোগৰ উৎপত্তি হ'ব নিদিয়ে কাৰণ লোক শ, শ, হাজাৰ-হাজাৰ মাইল অতিক্ৰম কৰি সত্য আৰু পৱিত্ৰতাৰ সৈতে হ'ক বিচাৰি আহিছে।

আকৌ এঠাইত হজৰত মছিহ মাওউদ (আঃ) য়ে উল্লেখ কৰিছে যে মোৰ নীতি অনুসৰি যদি কোনো অতিথি আহে আৰু কিবা কাৰণত গালি শপনিও দিয়ে তেন্তে সেয়া সহ্য কৰিব লাগিব। হজৰত মছিহ মাওউদ (আঃ) ৰ অতিথী আলপৈচান সম্পৰ্কে লিখোতা জনে লিখিছে যে আলা হজৰত, হজৰত হুজ্জাতুল্লাহ মছিহ মাওউদ (আঃ) ৰ অতিথি সৎকাৰ ৰছুলুল্লাহ (ছাঃ) ৰ দৰে উচ্চ আৰু প্ৰাণৱন্ত আদৰ্শ। যি সকলে অধিক সময় তেখেত (আঃ) ৰ সংস্পৰ্শত থাকিবলৈ সুবিধা পাইছিল, তেওঁলোকে জানে যে কোনো অতিথী, হয়তো তেওঁ এই ছিলছিলাৰ অন্তৰ্ভূক্ত হওঁক বা নহওঁক অৰ্থাৎ সেই অতিথিজন আহমদী হওঁক বা নহওঁক তাৰ সাধাৰণ কষ্ট দেখিলে হুযুৰ ব্যাকুল হৈ পৰিছিল এনেকি মুখলিচ আহমদীৰ বাবে তেখেতৰ হৃদয় বিগলিত হৈ পৰিছিল আৰু দয়া প্ৰৱণ হৈ পৰিছিল। গতিকে এনেকুৱা আগ্ৰহ আৰু দয়া আমি জলছাত উপস্থিত হোৱা অতিথি সকলৰ বাবে বেছিকৈ দেখুৱা উচিত। আঁহজৰত (ছাঃ) যে অতিথিৰ গুৰুত্ব আৰু সন্মান সম্পৰ্কে আমাক কি কৈছিল সেই সম্পৰ্কে ৰোবায়ত আছে যে আঁহজৰত (ছাঃ) য়ে কৈছে যে ; আল্লাহ তায়লা আৰু আখেৰাতৰ দিনৰ মাজত ঈমানৰ বাবে তিনিটা কথাৰ ব্যাৱহাৰ অতি প্ৰয়োজন। প্ৰথম এয়া যে ভাল কথা কোৱা নাইবা মনে মনে থাকা, দ্বিতীয় নিজৰ ওচৰ চুবুৰীয়াক সন্মান কৰা, তৃতীয় হ'ল এয়া যে অতিথিক আদৰ সন্মান কৰা। গতিকে অতিথিক আদৰ সন্মান কৰাও আল্লাহ আৰু আখেৰতৰ দিনৰ মাজত ঈমানৰ চৰ্তৰ মাজৰ এটা চৰ্ত। ইয়াৰ ওপৰিও আৰু বহুতো চৰ্ত আছে নাইবা এজন মোমিনৰ ঈমানৰ উচ্চ মানদণ্ডৰ বাবে আমি কব পাৰো যে অতিথি আলপৈচানও এটা চৰ্ত।

হুযুৰ আনোৱাৰ (আইঃ) য়ে অতিথি সেৱা সম্পৰ্কে কয় যে আঁহজৰত (ছাঃ) য়ে অতিথি সকলৰ

দ্বীনি অৱস্থাৰ উন্নতি আৰু মনোভাৱ সম্পৰ্কেও লক্ষ্য ৰাখিছিল। গতিকে ৰেৱায়ত আছে যে তেখেত (ছাঃ) ৰ ওচৰত অহা অতিথি সকলক ভোজন আদি কৰোৱাৰ পিছত অতিথি সকলৰ ইচ্ছানুযায়ী মছজিদত শুই থাকিবলৈ পঠাইছিল আকৌ পূৱাত ফজৰ নমাজৰ বাবে জগাই দিছিল। গতিকে জলছাতো তৰবিয়ত বিভাগ এই কাৰণে প্ৰতিষ্ঠা কৰা হৈছে যাতে অতিথি সকলক নমাজলৈ মনযোগ আকৰ্ষণ কৰে আৰু ফজৰ, তাহাজ্জুদ নমাজৰ বাবে জগাই দিয়ে। কিন্তু ইয়াৰ মাজত কোমলতা আৰু মৰম থাকিব লাগিব। যিয়েই নহওঁক মই এই কেইটামান কথা অতিথি সম্পৰ্কে উল্লেখ কৰিলো। আল্লাহ তায়লা সকলো কৰ্মী বৃন্দক হজৰত মছিহ মাওউদ (আঃ) ৰ অতিথি সকলক সুন্দৰ ভাৱে খিদমত কৰাৰ তৌফিক দান কৰক।

খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে দুজন মৰহুমিনৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। প্ৰথম জানাজা হ'ল মকৰৰম ছৈয়দ মহম্মদ আহমদ চাহাব ইবনে হজৰত ডাঃ মিৰ মহম্মদ ইছমাইল চাহাব (ৰাঃ)। তেওঁ ১৩ জুলাই ২০১৭ চনত প্ৰায় ৯২ বছৰ বয়সত পাকিস্থানৰ লাহোৰত মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। দ্বিতীয় জানাজা হ'ল মকৰৰমা মেহমুদা বেগম চাহেবা, পত্নী চৌধুৰী মহম্মদ ছাদিক চাহাব ভাট্টি। এইজনী মৰহুমা মকৰৰম আজগৰ আলী ভাট্টি চাহাব (মোবাল্লিগ ছিলছিলা নাইজেৰিয়া) ৰ মাক আছিল। ১৬ জুলাই ২০১৭ চনত ৭৩ বছৰ বয়সত তাই মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 21 July 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------
---------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**